**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-11-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ বিভিন্ন জিলাত অহা ৩ ডিচেম্বৰৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত জিলাসমূহৰ চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰ আদিৰ চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব। কামৰূপ মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হব। আজি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত এখন সংবাদমেলত জিলাখনৰ আয়ুক্ত সুমিত চট্টৰাজে এই বিষয়ে প্ৰকাশ কৰে। মহানগৰীৰ এখন জিলা চিকিৎসালয়, এটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, দুখন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ আৰু ৪৭ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উপৰি ৫ টা উপ স্বাস্থ্য কেন্দ্ৰ আয়ুষ্মান আৰোগ্য মন্দিৰক সামৰি এই মূল্যায়ন কৰা হব। এগৰাকী প্ৰশাসনিক বিষয়া আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ এজন চিকিৎসকে ৰাজ্যিক মূল্যায়ক  হিচাপে স্বাস্থ্য কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিব।

শিৱসাগৰ জিলাৰ মুঠ ৪৫ খন চিকিৎসালয়ত ৩ ডিচেম্বৰৰ পৰা স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব বুলি আজি জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰকাশ কৰে। তেওঁ কয় যে, এই উৎসৱত স্বাস্থ্য সেৱাৰ আন্তঃগাথনি, পৰিষ্কাৰ পৰিচ্ছন্নতা, চিকিৎসালয়ত সংক্ৰমন নিয়ন্ত্ৰণ আৰু ৰোগীক প্ৰদান কৰা সেৱা মূল্যায়ন কৰা হ'ব। জিলাখনৰ  এখন চিকিৎসালয়, এখন মহকুমা চিকিৎসালয়, ৪ টা সামুহিক স্বাস্থ্য কেন্দ্ৰকে ধৰি ৪৫ টা স্বাস্থ্য সেৱা প্ৰতিষ্ঠানত এই মূল্যায়ন কৰা হ'ব। তিনিচুকীয়া জিলাৰ চাহ বাগিছা অঞ্চলৰ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত স্থাপিত ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠানত এই কাৰ্যসূচী লোৱা হ'ব। প্ৰতিটো স্বাস্থ্য কেন্দ্ৰত ৰোগীক স্বাস্থ্য সেৱা  প্ৰদানৰ উপযুক্ত সুবিধা আছে নে নাই সেই বিষয়ে চালি জাৰি  চোৱা হ'ব। বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হী ৰূপায়ণ কৰা এই স্বাস্থ্য সেৱা উৎসৱে ৰাজ্যৰ স্বাস্থ্য খণ্ডত ইতিবাচক পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। গোলাঘাট জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়ত এই মূল্যায়ন কাৰ্যসূচী লোৱা হ'ব। চিকিৎসালয়সমূহৰ সা-সুবিধা সম্পৰ্কে ৪৮ গৰাকী বহিঃমূল্যায়নকাৰীয়ে মূল্যায়ন কৰিব। চৰাইদেউ জিলাত মুঠ ৩৮ টা চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। জিলা স্বাস্থ্য বিভাগে আজি এই বিষয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। লখিমপুৰ জিলাত ৫২ খন চিকিৎসালয়ত ৩ ডিচেম্বৰৰ পৰা হ'বলগীয়া স্বাস্থ্য সেৱা উৎসৱৰ বাবে প্ৰস্তুতি চলিছে। এই কাৰ্যসূচীত ৫০ জন জিলা পৰ্যায়ৰ বিষয়া আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ১৭ গৰাকী চিকিৎসকে বহিঃমূল্যায়ক হিচাপে অংশ লব।

০০০০

সৰ্প দংশন আৰু ইয়াৰ ফলত হোৱা মৃত্যুৰ  বিষয়টো ৰাজ্যিক জনস্বাস্থ্য আইন বা অন্য প্ৰযোজ্য বিধিৰ অধীনত অধিসূচনা জাৰি কৰিবলগীয়া ৰোগ হিচাপে চিহ্নিত কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে। সকলো ৰাজ্যৰ স্বাস্থ্য বিভাগৰ প্ৰধান সচিব নাইবা অতিৰিক্ত মুখ্য সচিবলৈ  প্ৰেৰণ কৰা এখন পত্ৰত স্বাস্থ্য মন্ত্ৰালয়ে এই বিষয়ে প্ৰকাশ কৰিছে।    বিশেষকৈ জনজাতি অধ্যুষিত অঞ্চল আৰু কৃষকসকলৰ মাজত সৰ্প দংশনৰ ফলত মৃত্যু, অসুস্থতা আৰু অক্ষমতা সৃষ্টি হব পাৰে বুলি কেন্দ্ৰীয় স্বাস্থ্য সচিব পুণ্য সলীলা শ্ৰীবাস্তৱে প্ৰেৰণ কৰা এই পত্ৰখনত উল্লেখ

কৰা হৈছে। তেওঁ কয় যে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ২০৩০ চনৰ ভিতৰত সৰ্প দংশনৰ বিষক্ৰীয়া প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰীয় কাৰ্যপন্থা অৰ্থাৎ এন এ পি এছ্ ই শীৰ্ষক পদক্ষেপ গ্ৰহণ কৰিছে। সংশ্লিষ্ট মন্ত্ৰালয় আৰু অংশীদাৰসকলৰ সৈতে আলোচনা কৰি গ্ৰহণ কৰা এই পদক্ষেপৰ দ্বাৰা ২০৩০ চনৰ ভিতৰত সৰ্প দংশনৰ ফলত হোৱা মৃত্যু কমেও আধালৈ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে অধিসূচনা জাৰি কৰিবলগীয়া ৰোগৰ ক্ষেত্ৰত ততালিকে জনস্বাস্থ্য কৰ্তৃপক্ষ অৱগত কৰা প্ৰয়োজন। এনে ৰোগৰ ক্ষেত্ৰত সজাগতা সৃষ্টি, ইয়াৰ নিৰীক্ষণ, নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ তাৎক্ষনিক ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন বুলিও স্বাস্থ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা আঠ বাজি দুই মিনিটত সংবিধান দিৱস বিষয়ক এটা অনুষ্ঠানৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ভাৰতীয় সংবিধানৰ গুৰুত্ব আৰু নাগৰিকৰ কৰ্তব্য আৰু অধিকাৰ সম্পৰ্কত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মতামত ব্যক্ত কৰিব। অনুষ্ঠানটি প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

চৰাইদেউ জিলাৰ দ'লবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ শুভ্ৰনীল সন্দিকৈ আৰু ছাত্ৰ শিৱানী গগৈসহ শিক্ষক আব্দুল মালিকৰ দলটোৱে হাৰিয়ানাত ১৬ ডিচেম্বৰৰ পৰা হ'বলগীয়া ৫১ সংখ্যক ৰাষ্ট্ৰীয় শিক্ষ বৈজ্ঞানিক প্ৰদৰ্শনী প্ৰতিযোগিতাত ৰাজ্যখনক প্ৰতিনিধিত্ব কৰিব। চৰাইদেউ জিলা প্ৰশাসনৰ তৰফৰ পৰা আজি ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰিবলগীয়া দলটোক সম্বৰ্ধনা আৰু অভিনন্দন জনোৱা হয়।

০০০০

শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত আজি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাদায়ক ভাষণ আৰু কেৰিয়াৰ পৰিকল্পনা সন্দৰ্ভত বিশেষ অনুষ্ঠান আয়োজিত হয়। এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰী উপস্থিত থাকে। অধ্যক্ষ শ্ৰী চৌধুৰীয়ে শিক্ষাৰ্থীসকলক চৰকাৰী সেৱাৰ সুযোগ আৰু পৰিশ্ৰমৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে।

০০০০

সমাপ্ত